بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ১৮ জানুৱাৰীত মছজিদ বায়তুল ফুতুহ মৌৰডনৰ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজিৰ খোতবাত মই হজৰত আমৰ বিন ফহিৰা (ৰাঃ) ৰ বিষয়ে দু-এষাৰ কবলৈ ওলাইছো। তেখেত (ৰাঃ) ৰ উপাধি সুচক নাম আছিল আবু ওমৰু। আজদ কবিলাৰ সৈতে তেখেতৰ সম্পৰ্ক আছিল। তেখেত (ৰাঃ) হজৰত আয়েশা (ৰাঃ) ৰ বৈপিত্ৰেয় ভাই তফিল বিন আব্দুল্লাৰ দাস আছিল। এখেতৰ ক'লা বৰণৰ দাস আছিল। প্ৰথমে ইছলাম গ্ৰহন কৰোঁতা সকলৰে এজন আছিল। তেখেত (ৰাঃ) য়ে আঁহজৰত (ছাঃ) ৰ দ্বাৰে আৰকামলৈ যোৱাৰ আগতেই ইছলাম গ্ৰহন কৰিছিল আৰু হজৰত আবু বক্কৰ (ৰাঃ) ৰ ছাগলী চৰাইছিল। ইছলাম গ্ৰহনৰ পিছত কাফিৰ সকলে তেখেত (ৰাঃ) ক বৰ দুখ দিছিল। পিছত হজৰত আবু বক্কৰ (ৰাঃ) য়ে তেখেতক কিনি লৈ স্বাধীন কৰি দিছিল। মদিনালৈ হিজৰত কৰাৰ সময়ত যেতিয়া ৰছুলে পাক (ছাঃ) আৰু হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) য়ে শ্বৌৰ নামক গুহাত অৱস্থান কৰিছিল তেতিয়া এই আমৰ (ৰাঃ) য়ে হজৰত আবু বক্কৰ (ৰাঃ) ৰ ছাগলীৰ পাল দেখপাল কৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ) য়ে তেখেতক ছাগলীবোৰ তেখেতৰ ওচৰলৈ নিবলৈ আদেশ দিছিল। এখেত (ৰাঃ) য়ে গোটেই দিন ছাগলীবোৰ চৰায় থাকিছিল আৰু গধুলিত সেই ছাগলীবোৰ শ্বৌৰ গুহাৰ ওচৰলৈ লৈ গৈছিল। তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ) আৰু আঁহজৰত (ছাঃ) দুয়োজনে ছাগলীৰ গাখীৰ খীৰাই লৈছিল। যেতিয়া আব্দুল্লাহ বিন আবি বকৰ আঁহজৰত (ছাঃ) আৰু হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) ৰ ওচৰলৈ গৈছিল, তেতিয়া হজৰত আমৰ বিন ফহিৰা (ৰাঃ) য়ে তাৰ পিছে পিছে গৈছিল যাতে তাৰ খোজৰ চিন মুচি যায়। যেতিয়া আঁহজৰত (ছাঃ) আৰু হজৰত আবু বক্কৰ (ৰাঃ) য়ে শ্বৌৰ গুহাৰ পৰা আকৌ মদিনালৈ যাত্ৰা কৰিছিল তেতিয়া আমৰ বিন ফহিৰাও তেখেত সকলৰ লগত হিজৰত কৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ) য়ে তেখেতক নিজৰ পিছফালে বহাই লৈছিল। সেই সময়ত বণু আদিলা নামৰ মুশৰিক এজনে এখেত সকলক বাট দেখুৱাই লৈ গৈছিল। হজৰত আমৰ বিন ফহিৰা বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধত যোগ দিছিল আৰু বীৰে মাওনাৰ দুৰ্ঘটনাত ৪০(চল্লিচ) বছৰ বয়সত শ্বাহাদত বৰণ কৰিছিল।

হজৰত আবু বক্কৰ (ৰাঃ) য়ে হিজৰতৰ আগত সাতজন এনেকুৱা দাসক স্বাধীন কৰি দিছিল যি সকলক আল্লাহৰ বাট ধৰাত দুখ দিয়া হৈছিল। যি সকলৰ মাজত আছিল হজৰত বিলাল আৰু হজৰত আমৰ (ৰাঃ)। হিজৰতৰ ঘটনা বৰ্ণনা কৰোঁতে আয়েশা (ৰাঃ) য়ে কৈছে যে -এদিন মই ঘৰত বহি আছিলো,কোনোবাই হজৰত আবু বক্কৰ (ৰাঃ) ক খবৰ দিছিল যে আঁহজৰত (ছাঃ) য়ে মূৰত কাপোৰ দি আহি আছে। এনেতে ৰছুলুল্লাহ (ছাঃ) য়ে আহি উপস্থিত হয় আৰু ভিতৰলৈ অহাৰ অনুমতি বিচাৰে। হজৰত আবু বক্কৰ (ৰাঃ) য়ে আহিবলৈ অনুমতি দিয়াৰ লগে লগে তেখেত (ছাঃ) য়ে ভিতৰলৈ আহিছিল আৰু কৈছিল যে তেখেত (ছাঃ) ক হিজৰত কৰাৰ অনুমতি দিয়া হৈছে। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) য়ে কৈছিল, ইয়া ৰছুলুল্লাহ ! মোকও আপোনাৰ লগত লৈ বলক। মোৰ মা,দেউতা আপোনাতে কোৰবাণ তেতিয়া আঁহজৰত (ছাঃ) য়ে কৈছিল হয় তুমিও মোৰ লগত ব'লা। আকৌ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) য়ে কৈছিল যে মোৰ মা-দেউতা আপোনাতে সৰ্মপিত, তেন্তে লগত যাম যদি মোৰ এই আৰোহী উটনী দুজনীৰ এটা আপুনি লৈ লওঁক। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে হ'ব দাম দি (কিনি) লম। হজৰত আয়শা (ৰাঃ) কৈছে -গতিকে মই অনতি পলমে দুয়োজনৰ বস্তু বাহানি সাজু কৰি দিছিলো। লগতে মই তেখেত সকলৰ নিমিত্তে তুশ্বা (এক প্ৰকাৰ খাদ্য) বনাই ছালৰ মোনা এখনত ভৰাই দিছিলো। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ আন এজনী জীয়েক আছমা নিজৰ কঁকালী পেটি এটুকুৰা কাটি লৈ সেই মোনাখনৰ মুখ টানকৈ বান্ধি দিছিল। সেয়ে ইয়াৰ নাম দিয়া হৈছিল "জাতুল লাতাফ"। ইয়াৰ পিছত ৰছুলুল্লাহ (ছাঃ)

আৰু হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) য়ে শ্বৌৰ পাহাৰৰ গুহাত উপস্থিত হৈছিল আৰু তাতেই তিনিটা ৰজনী লুকাই আছিল। হজৰত আব্দুল্লাহ বিন আবু বক্কৰ ৰাতি মনে মনে গৈ সেই গুহাত এখেত সকলৰ লগত থাকিছিল আৰু পূৱাতে নিশা এন্ধাৰ আঁতৰি যোৱাৰ আগতেই মক্কাত ঘুৰি আহি কুৰাইছ সকলৰ লগত পূৱা থাকিছিল যেনিবা তাতেই তেওঁ ৰাতি কটাইছে। আঁহজৰত (ছাঃ) আৰু হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) য়ে বনু আদিল কবিলাৰ এজন লোকক পাৰিশ্ৰমিক দি ৰাখিছিল আৰু সেই লোকজন বনু আবিদ বিন আদিৰ বংশধৰ আছিল। বাট চিনি পোৱাত পাকৈত আছিল তেওঁ। তেওঁ কুৰাইছ সকলৰ লগত একে ধমাৱলম্ভী লোক আছিল। আঁহজৰত (ছাঃ) আৰু হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) দুয়োজনেই সেই মানুহজনক বিশ্বাস কৰিছিল। তেখেত সকলে আৰোহন কৰিব লগা উট সেই লোক জনৰ হাতত চমজাই দি প্ৰতিশ্ৰুতি লৈছিল যে তিনি দিন পিছত ৰাতিপুৱা উটনীজনীক লৈ এই গুহাৰ ওচৰত আহিব। ঠিক সেইমতে লোকজনে কাম কৰিছিল। আমৰ আৰু উক্ত লোকজনে এখেত দুজনক লগত লৈ সাগৰৰ পাৰৰ বাটেদি লৈ গুচি গৈছিল।

ছুৰাকা বিন মালিক বিন জুশম কৈছিল যে আমাৰ ওচৰলৈ কুৰাইছ সকলৰ এজন দূত আহিছিল, যিজনে ৰছুলুল্লাহ (ছাঃ) আৰু হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) ৰ প্ৰত্যেকে মৃত্যু অথবা বন্ধী কৰাৰ প্ৰতিদানত সিঁহতৰ জৰিমনা স্বৰূপে কৰায়ত্বকাৰীলৈ বঁটা প্ৰদানৰ ঘোষণা কৰিব ধৰিলে। সেই সময়ত মই মোৰ সম্প্ৰদায় বনু মদলজৰ এখন বৈঠকত বহি আছিলো। এনেতে এজন লোক আহি খবৰ দিছিল হে ছুৰাকা ! মই অলপতে সাগৰৰ পাৰত কেইটা মান ছাঁ দেখিবলৈ পাইছো,আৰু মোৰ ধাৰণা হয় যে সেইজন মহম্মদ (ছাঃ) আৰু তাৰ সংগীবৃন্দ হব লাগে। ছুৰাকা কৈছে যে মই কিছুসময় পিছত মজলিচৰ পৰা উঠি ঘৰত গৈছিলো আৰু মোৰ দাসীক মোৰ ঘোঁৰাটো ওলাবলৈ কৈছিলো। তাই মোক লৈ বেগাই দৌৰি গৈছিল,যেতিয়া মই আঁহজৰত (ছাঃ) ৰ প্ৰায় ওচৰ পাইছিলো গৈ তেতিয়া ঘোঁৰীজনী এনেকুৱা উজুটি খাইছিল যে মই পিঠিৰ পৰা পৰি গৈছিলো। মই উঠি থিয় হৈছিলো আৰু নিজৰ তীৰ দানীৰ পৰা তীৰ উলিয়াছিলো আৰু লটাৰী কৰিছিলো যে তেওঁলোকক ক্ষতি কৰিব পাৰিম নে নোৱাৰিম। সেই লটাৰী  (ফাল) মোৰ বিপৰীতে ওলাল।মই আকৌ ঘোঁৰাত উঠিলো আৰু লটাৰীত ওলোৱা সিদ্ধান্তৰ বিৰুদ্ধে আগবাঢ়িলো। ঘোঁৰা বেগেৰে দৌৰি গৈ আছিল আৰু মই ৰছুলুল্লাহ (ছাঃ)ৰ ইমানেই ওচৰ পাইছিলো গৈ যে তেখেত (ছাঃ) য়ে কোৰ-আন পাঠ কৰি থকা শুনা পাইছিলো। তেখেত (ছাঃ) য়ে ইফালে সিফালে চোৱা নাছিল কিন্তু হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) য়ে বাৰে বাৰে পিছ ফালে ঘুৰি ঘুৰি চাইছিল। মোৰ ঘোঁৰাজনীৰ আগঠেং দুখন আঠুলৈকে মাটিত পুত গৈছিল আৰু মই পিঠিৰ পৰা পৰি গৈছিলো। মই আকৌ তীৰৰ ফাল লৈছিলো কিন্তু সেই একেই ওলাইছিল, যি মই পছন্দ কৰা নাছিলো,অৰ্থাৎ এয়া ওলাইছিল যে মই আঁহজৰত (ছাঃ) ক কৰায়ত্ব কৰিব নোৱাৰো। তেতিয়া মই তেওঁলোকক পিছৰ পৰা মাত লগাইছিলো যে তোমালোকলৈ নিৰাপত্তা দিয়া হ'ল তেতিয়া তেওঁলোকে থিয় দিছিল। মই তেওঁলোকক ধৰিবলৈ যোৱাত মই যি বাধাৰ সন্মুখীন হৈছিলো, সেয়া চাই মোৰ মনত ধাৰণা হৈছিল যে নিশ্চয় ৰছুলুল্লাহ (ছাঃ) ৰ কথাই সত্য। মই আঁহজৰত (ছাঃ) ক কাফিৰ সকলৰ সকলো ষড়যন্ত্ৰ সম্পৰ্কে শুনাইছিলো। আঁহজৰত (ছাঃ) য়ে কৈছিল যে আমাৰ যাত্ৰা সম্পৰ্কে সকলো কথা লুকাই ৰাখিবা। মই আঁহজৰত (ছাঃ) ক দৰখস্ত কৰিছিলো যে আপুনি মোক নিৰাপত্তাৰ চনদ লিখি দিয়ক। তেখেত (ছাঃ) য়ে আমৰ বিন ফহিৰাক কৈছিল যে তেওঁক লিখি দিয়া তেতিয়া আমৰে ছালৰ টুকুৰা এটাত লিখি দিছিল। ইয়াৰ পিছত ৰছুলুল্লাহ (ছাঃ) য়ে আকৌ যাত্ৰা আৰম্ভ কৰিছিল।

মদিনাত মুছলমান সকলে খবৰ পাইছিল যে ৰছুলে কৰিম (ছাঃ) য়ে মক্কাৰ পৰা ওলাই আহিছে, সেই বাৰে তেওঁলোকে নিতৌ পূৱা হাৰৰা ময়দানলৈকে যোৱা কৰিছিল আৰু তাত আঁহজৰত (ছাঃ) ৰ কাৰণে অপেক্ষাত থাকিছিল। কিন্তু দুপৰীয়া গৰমৰ কাৰণে আকৌ ঘুৰি আহিছিল। এদিন এজন ইহুদী কিবা দেখিবলৈ নিজৰ ঘৰৰ চালত উঠিছিল,তেওঁ ৰছুলুল্লাহ (ছাঃ) আৰু চাহাবা সকলক আহি থকা দেখিবলৈ পাইছিল। ইহুদী জনে ৰৱ নোৱাৰি চিঞৰি কৈছিল যে হে মদিনা বাসী ! সেয়া তোমালোকৰ চৰদাৰ আহি আছে, যাৰ নিমিত্তে তোমালোকে অপেক্ষা কৰি আছা। এই কথাবোৰ শুনাৰ লগে লগে মুছলমান সকলে জাপ মাৰি উঠি নিজৰ অস্ত্ৰ-সস্ত্ৰ লৈ হাৰৰা ময়দানৰ ফালে ৰছুলে কৰিম (ছাঃ) ক আদৰিবলৈ যায় আৰু হাৰৰা ময়দানত ৰছুলুল্লাহ (ছাঃ)ক স্বাগত জনায়। তেখেত (ছাঃ) য়ে এওঁলোকক লগত লৈ সোঁফালে ঘুৰিছিল

আৰু বণি ওমৰ বিন অউফৰ বস্তিত গৈ এওঁলোকৰ লগত নামিছিল,সেই দিনা আছিল সোমবাৰ আৰু ৰবিউল আউৱাল মাহ আছিল । ৰছুলুল্লাহ (ছাঃ) য়ে বনু ওমৰ বিন অউফৰ বস্তিত প্ৰায় দহটা ৰাতি অৱস্থান কৰিছিল। তাত এখন মছজিদ সজোৱা হৈছিল,তাকওয়াৰ ওপৰত ইয়াৰ ভিত্তি স্থাপন কৰা হৈছিল আৰু তাতেই আঁহজৰত (ছাঃ) য়ে নমাজ পঢ়িছিল। ইয়াৰ পিছত আকৌ তেখেত (ছাঃ) য়ে উটনীৰ ওপৰত আৰোহন কৰি গৈছিল আৰু লোক সকলে লগত খোজকাঢ়ি গৈছিল। উটনীজনী গৈ গৈ মদিনাত য'ত বহিছিল তাতেই আছে মছজিদ নববী। সেই দিনবোৰত অলপ কেইজনমান মুছলমানে তাত নমাজ পঢ়িছিল। সেয়া আছিল ছাহিল আৰু ছহালৰ খেজুৰ শুকুৱা ঠাই। ৰছুলুল্লাহ (ছাঃ) য়ে লৰা দুজনক মাতি অনাই উক্ত ঠাইখিনিৰ দাম সুধিছিল, যাতে তাত মছজিদ বনাব পৰা যায়। তেতিয়া লৰা দুজনে কৈছিল ইয়া ৰছুলুল্লাহ আমি এই ঠাই খিনি আপোনাক বিনা মুল্যেই দিছো। কিন্তু ৰছুলুল্লাহ (ছাঃ) য়ে মাটি ডোখৰ এনেয়ে লোৱাত আপত্তি কৰিছিল আৰু তেওঁলোকৰ পৰা কিনি লৈছিল। তাৰ পিছত মছজিদ সাজিছিল। ৰছুলুল্লাহ (ছাঃ) য়ে এই মছজিদ সজোৱাৰ সময়ত লোকৰ সৈতে নিজেও ইট ধুই দিছিল লগতে এয়া কৈছিল -“আল্লাহুম্মা ইন্নাল আজৰা আজৰাল আখিৰা,ফাৰ হিমিল আনছাৰা ওয়াল মুহাজিৰা” অৰ্থাৎ হে আল্লাহ ! আচল নেকি হ'ল আখেৰাতৰ নেকি, সেয়ে তুমি আনছাৰ আৰু মুহাজিৰিন সকলৰ ওপৰত দয়া কৰা।

হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে উক্ত হিজৰতৰ ঘটনাটো নিজৰ ধাৰণা অনুযায়ী বৰ্ণনা কৰিছে। তেখেত লিখিছে যেতিয়া মক্কাৰ লোক সকলে তেখেত (ছাঃ) ক বিচাৰি পোৱা নাছিল তেতিয়া তেওঁলোকে ঘোষণা দিছিল যে যিজনে মহম্মদ ৰছুলুল্লাহ (ছাঃ) আৰু আবু বক্কৰ ছিদ্দিক (ৰাঃ) ক জীৱিত নাইবা মৃত ঘুৰাই আনিব, তেওঁক এশ উটনী পুৰুস্কাৰ দিয়া হ'ব। এই বাৰ্তা মক্কাৰ ওচৰে পাজৰে থকা কুবাইল সমুহলৈ পঠোৱা হৈছিল। সেয়ে ছুৰাকা বিন মালিক (বদৰি জমিদাৰ) এই পুৰুস্কাৰৰ লোভত তেখেত (ছাঃ) ক বিচাৰিব গৈছিল। বিচাৰি বিচাৰি গৈ তেওঁ মদিনাৰ ফালে যোৱা বাটত তেখেত (ছাঃ) ক দেখা পাইছিল। যেতিয়া তেওঁ দুটা উট আৰু আৰোহী সকলক দেখিছিল, বুজি পাইছিল যে সেয়া মহম্মদ ৰছুলুল্লাহ আৰু তেখেতৰ সংগী বৃন্দ হ'ব। তেতিয়া ছুৰাকা নিজৰ ঘোঁৰাক বেগ দিছিল কিন্তু বাটতে পিছত গৈ মুছলমান হৈছিল আৰু তেওঁ নিজৰ এই ঘটনা নিজে এনেদৰে বৰ্ননা কৰি গৈছে।

যেতিয়া আমৰ বিন ফহিৰা (ৰাঃ) য়ে হুযুৰ (ছাঃ) ৰ নিৰ্দেশ অনুযায়ী ছুৰাকাক নিৰাপত্তাৰ চনদ লিখি দিছিল আৰু ছুৰাকা ঘুৰি আহিবলৈ লৈছিল লগে লগে আল্লাহ তায়লা ছুৰাকাৰ ভৱিষ্যত বাণী সম্পৰ্কে আঁহজৰত (ছাঃ) ক ৰহস্যৰ পৰা প্ৰকাশ কৰি দিয়ে। তেতিয়া তেখেত (ছাঃ) য়ে তাক কৈছিল যে ছুৰাকা সেই সময়ত তোমাৰ কি অৱস্থা হ'ব যেতিয়া তোমাৰ হাতত কিছ্ৰাৰ কঙ্গণ পিন্ধাই দিয়া হ'ব। ছুৰাকা তেতিয়া আচৰিত হৈ সুধিছিল যে কিছ্ৰা বিন হৰমজ শ্বাহেন শ্বাহে ইৰান হয় নেকি ? তেখেত (ছাঃ) য়ে কৈছিল হয়। তেখেত (ছাঃ) ৰ এই ভৱিষ্যত বাণী প্ৰায় যোল্ল,সোতৰ বছৰ পিছতেই সম্পুৰ্ণ ৰূপে পূৰ্ণ হৈছিল। ছুৰাকা মুছলমান হৈ মদিনালৈ আহিছিল। ইছলামৰ দোপত দোপে হোৱা উন্নতি চাই ইৰাণীয় সকলে মুছলমান সকলৰ ওপৰত আক্ৰমণ চলাবলৈ আৰম্ভ কৰিছিল আৰু ইছলামৰ পতন ঘটোৱাৰ সলনি নিজেই ইছলামৰ হাতত পৰাজয় বৰণ কৰিছিল। কিছ্ৰাৰ দাৰুল ইমাৰত ইছলামী সৈন্যৰ ঘোঁৰাৰ চেঁকুৰত ম্লান পৰি গৈছিল আৰু ইৰাণৰ ধন ভাণ্ডাৰ মুছলমান সকলৰ দখললৈ আহিছিল, য'ত সেই কঙ্গণ আছিল যিটো কিছ্ৰা ইৰাণী পৰম্পৰা অনুযায়ী হিংসাসনত অধিষ্ঠিত হোৱাৰ সময়ত পিন্ধোৱা হৈছিল। হজৰত ওমৰ (ৰাঃ) ৰ আগত যেতিয়া গণিমতৰ মালবোৰ আনি জমা কৰা হৈছিল আৰু তেখেত (ৰাঃ) য়ে সেই কিছ্ৰাৰ কঙ্গণ দেখা পাইছিল তেতিয়া খোদা তায়লাৰ কুদৰত তেখেতৰ চকুৰ আগত জক-মকাই উঠিছিল। তেখেত (ৰাঃ) য়ে কৈছিল ছুৰাকাক মাতি অনা হওঁক। ছুৰাকাক মাতি অনা হৈছিল তেতিয়া হজৰত ওমৰ (ৰাঃ) য়ে তেওঁক সেই কিছ্ৰাৰ কঙ্গণ তেওঁৰ হাতত পিন্ধি লবলৈ আদেশ দিছিল। ছুৰাকা কৈছিল হে আল্লাহৰ ৰছুলৰ খলিফা সোণ পিন্ধি লবলৈ আদেশ দিছিল। ছুৰাকা কৈছিল, হে আল্লাহৰ ৰছুলৰ খলিফা সোণ পিন্ধা মুছলমান পুৰুষৰ বাবে নিষেধ আছে। হজৰত ওমৰ (ৰাঃ) য়ে কৈছিল আল্লাহ তায়লা মহম্মদ (ছাঃ) ক তোমাৰ হাতত সোণৰ কঙ্গণ পিন্ধা দেখুৱাইছিল। হয় তুমি এই কঙ্গণ পিন্ধিবা, নহলে মই তোমাক শাস্তি বিহিবলৈ বাধ্য হ'ম। ছুৰাকা তেতিয়া সেই কঙ্গণ নিজৰ হাতত পিন্ধিছিল আৰু মুছলমান সকলে সেই মহান ভৱিষ্যত বাণী

পুৰ্ণ হোৱাটো নিজ নয়নত দেখিছিল। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে যেতিয়া আমৰ বিন ফহিৰা হিজৰত কৰি মদিনালৈ আহিছিল, তাত আহি তেখেত (ৰাঃ) হজৰত আবু বক্কৰ ছিদ্দিক(ৰাঃ) আৰু হজৰত বিলাল (ৰাঃ) বেমাৰত পৰিছিল। ৰছুলুল্লাহ (ছাঃ) য়ে দোৱা কৰাৰ লগে লগে সুস্থ হৈ উঠিছিল। হজৰত আয়েশা (ৰাঃ) য়ে আঁহজৰত (ছাঃ) ৰ পৰা বেমাৰী দুজনক চাবলৈ যোৱাৰ নিমিত্তে অনুমতি বিচাৰিছিল। আঁহজৰত (ছাঃ)য়ে তাইক যাবলৈ অনুমতি দিছিল। হজৰত আয়েশা (ৰাঃ) য়ে আচহাব দুজনক চাই আহি নবী কৰিম (ছাঃ) ৰ ওচৰত তেওঁলোকৰ অৱস্থা সম্পৰ্কে জনাইছিল। তেতিয়া আঁহজৰত (ছাঃ) য়ে আচমানৰ ফালে দৃষ্টি দি এই দোৱা কৰিছিল “আল্লাহুম্মা হাববিব ইলায়নাল মাদিনাতা কামা হাববাতা ইলায়না মাক্কাতুল ওয়া বাহা ইলা মায়আন”। অৰ্থাৎ হে আল্লাহ ! মদিনা আমাৰ বাবে এনেকুৰা প্ৰেমাস্পদ বনাই দিয়া যেনেকুৰা মক্কা আমাৰ নিমিত্তে প্ৰেমাস্পদ বনাই দিছিলা, তাতকৈ বেছি মৰমীয়াল বনাই দিয়া। হে আল্লাহ ! আমাৰ বাবে ইয়াৰ সোণালী পথাৰত আৰু ইয়াৰ আকৰ্ষণত বৰকত ঢালি দিয়া আৰু মদিনা আমাৰ বাবে স্বাস্থ্যকৰ ঠাই বনাই দিয়া আৰু ইয়াৰ প্ৰদুষিত বেমাৰবোৰ আমাৰ পৰা আঁতৰাই লৈ যোৱা।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত আমৰ বিন ফহিৰা (ৰাঃ) বীৰে মাওনাৰ ঘটনাত শ্বহীদ হৈছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে হজৰত আমৰ বিন ফহিৰা (ৰাঃ) ৰ শ্বাহাদত ৰ ঘটনা বৰ্ণাওতে লিখিছে যে ইছলামে তৰোৱালৰ বলত বিজয় লাভ কৰা নাছিল। বৰং ইছলামে সেই উত্তম শিক্ষাৰ জৰিয়তে বিজয় লাভ কৰিছিল যিয়ে মানুহৰ হৃদয় আপ্লুত কৰিব পাৰিছিল। লগতে চৰিত্ৰত এটা উচ্চ পৰ্যায়ৰ পৰিবৰ্ত্তন সাধন কৰিছিল। এজন চাহাবীয়ে কৈছে মই মুছলমান হোৱাৰ এক মাত্ৰ কাৰণ হ’ল মই এদিন এই সম্প্ৰদায়ত অতিথি হিচাপে আছিলো অথচ এদিন প্ৰৱঞ্চনাৰ আশ্ৰয় লৈ মুছলমান সকলৰ সত্তৰ জন কাৰীক শ্বহীদ কৰি দিছিলো। সেই দিনা মাত্ৰ এজন চাহাবী বাকী আছিল,যাৰ নাম আছিল আমৰ বিন ফহিৰা (ৰাঃ)। বহু কেইজন লোকে মিলি তেখেতক ধৰা হৈছিল আৰু এজনে বৰ বলেৰে সৈতে তেখেতৰ বুকুত বল্লমেৰে আঘাত হানিছিল। সেই বল্লম তেখেত (ৰাঃ) ৰ বুকুত লাগোতেই তেখেতৰ মুখেৰে এটা বাক্য উচ্চাৰণ হৈছিল যে “ফুজ্জাতু ওয়া ৰাববুল কাবা” অৰ্থাৎৰববে কাবাৰ শপত,মই কৃতকাৰ্যতা লাভ কৰিছো। মই যেতিয়া তেখেতৰ এই বাক্য ফাঁকি শুনিছিলো, মই বৰ আশ্চৰ্য্য বোধ কৰিছিলো আৰু কৈছিলো এইজন ব্যক্তি নিজৰ আত্মীয় সৃজনৰ পৰা আৰু পৰিয়াল বৰ্গৰ পৰা দুৰত আহি ইমান ডাঙৰ বিপদত পৰিছে আৰু তাৰ বকুত বল্লমেৰে আঘাত হানি দিয়া হৈছে কিন্তু মৃত্যু সময়ত তাৰ মুখত কেৱল এয়াই শুনা পালো যে ৰাববে কাবাৰ শপত, মই কৃতকাৰ্য্যতা লাভ কৰিছো। বাক্য শাৰীয়ে মোৰ মগজুত বাৰু কৈয়ে ছাপ বহুয়াই গৈছিল। মই সিদ্ধান্ত লৈছিলো যে এওঁলোকৰ কেন্দ্ৰ লৈ গৈ দেখিম আৰু এওঁলোকৰ ধৰ্ম সম্পৰ্কে পঢ়িম। গতিকে মই মদিনালৈ গৈছিলো আৰু মুছলমান হৈছিলো। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে চাহাবা সকলে যুদ্ধত শ্বহীদ হোৱাটো শান্তি আৰু আনন্দৰ কাৰক বুলি ভাৱিছিল। যদি যুদ্ধত অলপ অচৰপ দুখ পাইছিল তেন্তে সেয়া একো আঘাত বুলি ভৰা নাছিল। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে গতিকে বৰ সৌভাগ্যবান আছিল সেই লোক সকল,আৰু বিশেষ ভাৱে আছিল আমৰ বিন ফহিৰা (ৰাঃ)যিয়ে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) ৰ খিদমত কৰাৰো তৌফিক পাইছিল। লগতে আঁহজৰত (ছাঃ) ৰও সেৱা কৰাৰ সুযোগ পাইছিল। তেখেত (ছাঃ) ৰ লগত হিজৰত কৰাৰ সুযোগ লাভ কৰিছিল। এখেত (ৰাঃ) আছিল আনুগত্যৰ এক মূৰ্তিমন্ত পুতুলা। যিজনে সকলোতেই আনুগত্য প্ৰৰ্দশন কৰিছে। আল্লাহ তায়লা তেখেত সকলৰ মৰ্যদা উন্নীত কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 18 Janu.. 2019**

**(BOOK POST PRINTED MATTER)**

**To**

------------------------------------------------------------------------

------------------------------------------------------------------------

------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**